**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-03-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***::::::::::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিম এছিয়াত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সম্ভাৱ্য যিকোনো সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰতিখন ৰাজ্যক সহযোগিতা আগবঢ়োৱাৰ বাবে আহ্বান জনাইছে।

২। চৰকাৰে দেশত পৰ্যাপ্ত পৰিমাণৰ পেট্ৰল আৰু ডিজেল মজুত আছে বুলি আশ্বাস দিছে।

৩। নিৰ্বাচন আয়োগে আজি নিৰ্বাচন হবলগীয়া ৫ খন ৰাজ্য আৰু ইয়াৰ চুবুৰীয়া ৰাজ্যৰ মুখ্য সচিব, মুখ্য নিৰ্বাচনী বিষয়া আৰু আৰক্ষী সঞ্চালক প্ৰধানৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়।

৪। উচ্চতম ন্যায়ালয়ে স্বেচ্ছাচাৰী মূল্যায়ন প্ৰক্ৰিয়াৰ বাবে স্থায়ী কমিচনৰ অধীনত নিযুক্তিৰ পৰা বঞ্চিত স্থলসেনা, নৌসেনা আৰু বায়ুসেনাৰ ছৰ্ট চাৰ্ভিছ কমিচন ব্যৱস্থাৰ অধীনৰ মহিলা বিষয়াসকলক পূৰ্ণ পেঞ্চন উপকাৰ লাভ কৰিব বুলি ৰায় দিছে। ***আৰু***

৫। জি বি এফ এছ নামৰ উপজাত সামগ্ৰীবিধৰ প্ৰথমটো খেপ আজি গুৱাহাটীৰ পাণ্ডু বন্দৰত উপস্থিত হোৱা বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিম এছিয়াত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সম্ভাৱ্য যিকোনো সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰতিখন ৰাজ্যক সহযোগিতা আগবঢ়োৱাৰ বাবে আহ্বান জনাইছে। আজি ৰাজ্যসভাত দিয়া ভাষণত শ্ৰী মোদীয়ে কয়, যে তিনি সপ্তাহতকৈ অধিক সময় অতিবাহিত হোৱা পশ্চিম এছিয়াৰ যুদ্ধৰ ফলত ভাৰতৰো ব্যৱসায়িক ক্ষেত্ৰত প্ৰভাৱ পৰিছে। খাৰুৱা তেল, গেছ আদিৰ আমদানি প্ৰভাৱিত হৈছে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। হৰমুজ প্ৰণালীত বিভিন্ন দেশৰ জাহাজ আৱদ্ধ হৈ আছে আৰু এই জাহাজসমূহত ভাৰতৰ বহু সদস্য কৰ্মী হিচাপে আছে বুলি শ্ৰী মোদীয়ে উদ্বেগ প্ৰকাশ কৰে। এইক্ষেত্ৰত সকলোকে সংযম আৰু পাৰস্পৰিক সহযোগিতা ৰক্ষা কৰি চলিবলৈ শ্ৰী মোদীয়ে আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে পশ্চিম এছিয়াত শান্তি বাহাল কৰাৰ বাবে আলোচনা আৰু কূটনীতিৰ পোষকতা কৰে। তেওঁ কয় যে ভাৰতে যুদ্ধৰ পৰিৱেশৰ মাজতো ভাৰতীয়ৰ জাহাজসমূহৰ নিৰাপত আহ-যাহ সুনিশ্চিত কৰাৰ বাবে কূটনীতিৰ মাধ্যমৰে প্ৰয়াস চলাই আছে। তেওঁ কয় যে বিগত কেইটামান দিনত বিশ্বৰ বিভিন্ন দেশৰ পৰা কেইবাখনো খাৰুৱা তেল আৰু ৰন্ধন গেছ পৰিবাহী জাহাজ ভাৰতত উপস্থইত হৈছে। যুদ্ধ আৰম্ভ হোৱাৰ পৰা ৩ লাখ ৭৫ হাজাৰৰো অধিক ভাৰতীয় নিৰাপদে স্বদেশলৈ উভতি আহিছে আৰু বৰ্তমানলৈ ইৰাণৰ পৰা প্ৰায় এহেজাৰ ভাৰতীয় ঘুৰি আহিছে বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে চৰকাৰে প্ৰতিটো খণ্ডত বিভিন্ন দেশৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ বাবে অহৰহ কাম কৰি আছে।

শ্ৰী মোদীয়ে কয়, যে পশ্চিম এছিয়াৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দেশত প্ৰয়োজনীয় গেছ্ আৰু তেলৰ যোগান অটুত ৰাখিবলৈ ভাৰতে বিভিন্ন দেশৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। প্ৰধানমন্ত্ৰীয়ে কালি লোকসভাত মধ্য প্ৰাচ্যৰ শেহতীয়া পৰিস্থিতিক লৈ দিয়া বিবৃতিত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ এই যুদ্ধকালীন পৰিস্থিতিত ভাৰতত হোৱা পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ নাটনি উদ্বেগজনক বুলি অভিহিত কৰি সুদূৰপ্ৰসাৰী পৰিস্থিতিৰ বাবে দেশ সাজু থাকিব লাগিব বুলি উল্লেখ কৰে। দেশত সম্প্ৰতি ৫৩ লাখ মেট্ৰিকটন পেট্ৰ'লিয়াম জমা আছে আৰু এই ভাণ্ডাৰ ৬৫ লাখ মেট্ৰিকটনলৈ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। দেশৰ শোধন ক্ষমতা বৃদ্ধি কৰাৰ সমান্তৰালভাৱে খাৰুৱা তেল মজুতকৰণৰ অগ্ৰাধিকাৰ দিয়া হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০

চৰকাৰে দেশত পৰ্যাপ্ত পৰিমাণৰ পেট্ৰল আৰু ডিজেল মজুত আছে আৰু ৰন্ধন গেছৰ ঘৰুৱা উৎপাদন বৃদ্ধি কৰা হৈছে বুলি আশ্বাস দিছে। নতুন দিল্লীত আজি পশ্চিম এছিয়াৰ শেহতীয়া ঘটনাক্ৰম সন্দৰ্ভত এখন আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ বৈঠকত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই নাগৰিকসকলক উৰা বাতৰিত বিশ্বাস নকৰিবলৈ আৰু ভীতিগ্ৰস্ত হৈ অযথা গেছ চিলিণ্ডাৰ ক্ৰয় নকৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে চৰকাৰে গেছ্ বিতৰণ কোম্পানীসমূহক পাইপযোগে গেছ যোগানৰ প্ৰয়োজনীয় আন্তঃগাথনি থকা আৱাসিক বিদ্যালয়, মহাবিদ্যালয়, সমুহীয়া আৰু অঙ্গনবাড়ী ৰান্ধনীশালসমূহক ৫ দিনৰ ভিতৰত পাইপযোগে গেছ্ যোগান ব্যৱস্থাৰে সংযুক্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। পাইপযোগে প্ৰাকৃতিক গেছ্ যোগান ব্যৱস্থাৰ সম্প্ৰসাৰণ সন্দৰ্ভত তেওঁ কয় যে সোমবাৰে প্ৰায় ৭ হাজাৰ ৫০০ ঘৰুৱা আৰু বাণিজ্যিক সংযোগ প্ৰদান কৰা হৈছে। যুটীয়া সচিবগৰাকীয়ে কয় যে সাম্প্ৰতিক ভূ-ৰাজনৈতিক পৰিস্থিতিৰ বাবে ৰন্ধন গেছৰ যোগান প্ৰভাৱিত হৈছে যদিও কেইবাখনো গেছ পৰিবাহী জাহাজ ভাৰতলৈ আহি আছে। বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰালয়ৰ বিশেষ সচিব ৰাজেশ কুমাৰ সিনহাই কোনো বন্দৰ বাধাৰ সন্মুখীন হোৱা নাই আৰু চৰকাৰে সামুদ্ৰিক বাণিজ্য বিঘ্নিত নোহোৱাকৈ অব্যাহত ৰখাৰ বাবে কাম কৰি আছে। তেওঁ কয় যে ২৫ হাজাৰ মেট্ৰিকটন ৰন্ধন গেছ কঢ়িয়াই অনা পাইন গেছ্ আৰু ৪৭ হাজাৰ ৬০০ মেট্ৰিকটন ৰন্ধন গেছ্ কঢ়িয়াই অনা জগ বসন্ত নামৰ জাহাজ দুখনে ইতিমধ্যে হৰমুজ প্ৰণালী অতিক্ৰম কৰিছে আৰু স্বদেশৰ দিশে অগ্ৰসৰ হৈছে। বৈদেশিক পৰিক্ৰমা বিভাগৰ অতিৰিক্ত সচিব অসীম আৰ মাহাজনে কয় যে চৰকাৰে উপ সাগৰীয় আৰু পশ্চিম এছিয়া অঞ্চলৰ পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। তেওঁ কয় যে অঞ্চলটোত বাস কৰা বৃহৎ সংখ্যক ভাৰতীয় সম্প্ৰদায়ৰ লোকৰ সুৰক্ষা, নিৰাপত্তা আৰু কল্যান সুনিশ্চিত কৰাত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছে। ২৮ ফেব্ৰুৱাৰীৰ পৰা প্ৰায় ৪ লাখ ২ হেজাৰ যাত্ৰী উপসাগৰীয় অঞ্চলৰ পৰা ভাৰতলৈ উভতি আহিছে বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে আজি সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ইৰ বিভিন্ন বন্দৰৰ পৰা ভাৰতলৈ প্ৰায় ৪৮ খন বিমান চলাচল কৰাৰ সম্ভাৱনা আছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীৰ সৈতে পশ্চিম এছিয়াৰ পৰিস্থিতি আৰু গোলকীয় অৰ্থনীতি বিশেষকৈ শক্তি সুৰক্ষাৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা বুলি মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে প্ৰকাশ কৰিছে।

০০০০০

নিৰ্বাচন আয়োগে আজি নিৰ্বাচন হবলগীয়া ৫ খন ৰাজ্য আৰু এই ৰাজ্যকেইখনৰ ১২ খন চুবুৰীয়া ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিব, মুখ্য নিৰ্বাচনী বিষয়া, আৰক্ষী সঞ্চালক প্ৰধান আৰু জ্যেষ্ঠ বিষয়াসকলৰ

সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত নিৰ্বাচনী প্ৰস্তুতি, সমন্বয় বৃদ্ধি আৰু হিংসা-ভাবুকি-প্ৰলোভনমুক্ত ভোটগ্ৰহণ অনুষ্ঠিত কৰাৰ বাবে পৰিস্থিতিৰ পৰ্যালোচনা কৰা হয়। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে নিৰ্বাচন আয়ুক্ত ড০ এছ্ এছ্ সান্ধু, আৰু ড০ বিবেক যোশীৰ সৈতে বিধানসভা নিৰ্বাচন হবলগীয়া অসম, কেৰালা, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ উপৰি উপ নিৰ্বাচন হ'বলগীয়া অন্য ৬ খন ৰাজ্য নিৰ্বাচনী প্ৰস্তুতি আৰু আইন শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। বৈঠকত বিধানসভা নিৰ্বাচন হ'বলগীয়া ৰাজ্যকেইখনে প্ৰস্তুতি, আইন শৃংখলাজনিত বিষয়, ব্যয় বলবৎকৰণ আৰু কেন্দ্ৰীয় সংস্থা তথা চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে থকা উদ্বেগজনক বিষয় সম্পৰ্কে অৱগত কৰে। নিৰ্বাচন হ'বলগীয়া ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত শান্তি শৃংখলা বৰ্তাই ৰখাৰ বাবে সীমান্ত বন্ধ কৰি দিয়াৰ বিষয়ে বিশেষ গুৰুত্ব আৰোপ কৰা হয়। এই সন্দৰ্ভত চুবুৰীয়া সীমান্তৱৰ্তী ৰাজ্যসমূহক হিংসা আৰু প্ৰলোভনমুক্ত নিৰ্বাচন সুনিশ্চিত কৰাৰ ক্ষেত্ৰত নিৰ্বাচন হ'বলগীয়া ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক সহায় কৰাৰ বাবে যথাসম্ভৱ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়া হয়। কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ পৰিষদ, কেন্দ্ৰীয় পৰোক্ষ কৰ আৰু সীমা শুল্ক পৰিষদ, বিধি বলবৎকাৰী সঞ্চালকালয়, উপকূলৰক্ষী বাহিনী, আচাম ৰাইফলছ্ আৰু অন্য সংস্থাসমূহৰ মুৰববীসকলক আন্তঃৰাজ্যিক চকীসমূহত চোকা নজৰ ৰাখিবলৈ আৰু নিৰ্বাচন হ'বলগীয়া ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত সীমামূৰীয়া এলেকাত সতৰ্কতা বৃদ্ধি কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ইয়াৰ উপৰি মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰো, আয়কৰ বিভাগ, কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ আৰু ৰাজহ চোৰাংচোৱা সঞ্চালকালয়সহ কেন্দ্ৰীয় সংস্থাসমূহক নিৰ্বাচনৰ পূৰ্বে প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিবলৈ কোৱা হৈছে।

০০০০০

উচ্চতম ন্যায়ালয়ে  স্বেচ্ছাচাৰী মূল্যায়ন প্ৰক্ৰিয়াৰ বাবে স্থায়ী কমিচনৰ অধীনত নিযুক্তিৰ পৰা বঞ্চিত স্থলসেনা, নৌসেনা আৰু বায়ুসেনাৰ ছৰ্ট চাৰ্ভিছ কমিচন ব্যৱস্থাৰ অধীনৰ মহিলা বিষয়াসকলক পূৰ্ণ পেঞ্চন উপকাৰ লাভ কৰিব বুলি ৰায় দিছে। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত নেতৃত্বাধীন এখন বিচাৰপীঠে আজি এটা ৰায়যোগে কয় যে এই বিষয়াসকলক পেঞ্চন লাভৰ বাবে আৱশ্যকীয় ২০ বছৰৰ সেৱা সম্পূৰ্ণ কৰা বুলি গণ্য কৰা হ'ব, লাগিলে তেওঁলোকক পূৰ্বেই সেৱা মুক্ত কৰা নহওক কিয়। কমাণ্ডাৰ সুচেতা এডনে দাখিল কৰা আবেদনসহ কেইবাখনো আবেদনৰ শুনানি গ্ৰহণ কৰি বিচাৰপীঠখনে এইদৰে ৰায় দিয়ে।

০০০০০

তীখা বা লো উৎপাদন কাৰখানাত উৎপন্ন হোৱা  জি বি এফ এছ্ নামৰ উপজাত সামগ্ৰীবিধৰ প্ৰথমটো খেপ আজি ভাৰত-বাংলাদেশ প্ৰট'ক'ল পথেৰে কলকাতাৰ পৰা গুৱাহাটীৰ পাণ্ডু বন্দৰত উপস্থিত হোৱা বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ব্ৰহ্মপুত্ৰ দ্ৰুতভাৱে ব্যৱসায় আৰু সামগ্ৰী পৰিবহনৰ কৰিড'ৰ হিচাপে পৰিণত হৈছে। চৰকাৰে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশ ত্বৰান্বিত কৰাৰ বাবে ২ নম্বৰ ৰাষ্ট্ৰীয় জলপথেৰে সামগ্ৰী বাধাহীন সৰবৰাহ সনিশ্চিত কৰাৰ বাবে কাম কৰি আছে বুলি শ্ৰীসোণোৱালে মন্তব্য কৰে। জি বি এফ এছ্ নামৰ এই উপজাত সামগ্ৰীবিধ সংক্ৰিট তৈয়াৰ কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। এই সামগ্ৰীবিধে চিমেণ্টত শক্তি বৃদ্ধি কৰে আৰু ই পৰিৱেশ অনুকুলো।

০০০০০

ঃঃ সমাপ্ত ঃঃ